জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬/২০২১

# ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (নাৱাৰ্ড)ৰ দ্বাৰা আয়োজন কৰা ষ্টেট ক্ৰেডিট চেমিনাৰ ২০২১ ত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

উচ্চশিক্ষিত যুৱক-যুৱতীয়ে কৃষি ক্ষেত্ৰত আত্মনিয়োগ কৰাটো অসমৰ বাবে আশাপ্ৰদ দিশ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (নাৱাৰ্ড)ৰ দ্বাৰা আয়োজিত ষ্টেট ক্ৰেডিট চেমিনাৰ ২০২১ ত অংশগ্ৰহণ কৰে। এই উপলক্ষে মহানগৰীৰ তাজ ৱিভান্টাত আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে জনোৱা আহ্বানৰ দিশত আজিৰ এই আলোচনাচক্ৰই ইতিবাচক প্ৰভাৱ পেলাব। কৃষি আৰু আনুষংগিক ক্ষেত্ৰৰ বাবে এই আলোচনা চক্ৰখন অতিশয় গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়ে আমাৰ সম্পদ আৰু সম্ভাৱনাক উপযুক্ত প্ৰয়োগৰ জৰিয়তে আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব। তেওঁ কয় যে উৎপাদন বৃদ্ধিৰ জৰিয়তে উপাৰ্জন বৃদ্ধি কৰিব লাগিব। বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ কৃষক পৰিয়ালৰ নতুন প্ৰজন্মক কৃষিৰ প্ৰতি অধিক আকৰ্ষিত কৰাৰ বাবে আমি প্ৰয়াস চলাব লাগিব। ইয়াৰ বাবে কৃষকসকলক উপযুক্ত সুবিধা প্ৰদান কৰিব লাগিব। কৃষিৰ আন্তঃগাঁথনিৰ উন্নয়ন সাধন কৰিব লাগিব। এনেধৰণৰ পদক্ষেপে কৃষিক এক মৰ্যাদাসম্পন্ন বৃত্তি হিচাপে গ্ৰহণ কৰাৰ ক্ষেত্ৰত নতুন প্ৰজন্মক উদগণি যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

খেতি মাটিৰ গুণাগুণ পৰীক্ষা কৰাৰ বাবে ছইল হেলথ্ কাৰ্ডৰ প্ৰৱৰ্তন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পৰম্পৰাগত পদ্ধতিৰ পৰিৱৰ্তে আমি আধুনিক কৃষি পদ্ধতিক আকোঁৱালি লৈ উপাৰ্জন বৃদ্ধি কৰিব লাগিব। ২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰে কিষাণ ক্ৰেডিট কাৰ্ড, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, কৃষি সিঞ্চাই যোজনাৰ লেখীয়া বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়ে কৃষক ৰাইজক উৎসাহিত কৰিছে। কৃষকৰ আত্মবিশ্বাস জগাই তোলাৰ বাবে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়ি তোলাৰ বাবে ২০ লাখ কোটি টকাৰ পেকেজ ঘোষণা কৰিছে। ইয়াৰে ১ লাখ কোটি টকা কৃষিৰ আন্তঃগাঁথনিৰ বিকাশ, ২০ হাজাৰ কোটি টকা প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা আৰু ৩ লাখ কোটি টকা ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বিকাশ সাধনৰ বাবে থিৰাং কৰি স্পষ্ট নীতি ঘোষণা কৰিছে। ইয়াৰ ফলত জনসাধাৰণৰ বিশ্বাস বদ্ধি পাইছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে উৎপাদন, উৎপাদিত সামগ্ৰী ক্ৰয়, বজাৰ আৰু উৎপাদিত সামগ্ৰীৰ গুণগত মানৰ উন্নয়ন সাধনৰ জৰিয়তে কৃষি খণ্ডৰ সৰ্বাত্মক বিকাশৰ বাবে কাম কৰিব লাগিব। এই সমগ্ৰ ব্যৱস্থাটোক সংযোগ সাধন কৰিব পাৰিলে আমি নিশ্চিতভাৱে সফলতা লাভ কৰিবলৈ সক্ষম হ'ম। উচ্চশিক্ষিত যুৱ

প্ৰজন্মই আজি কৃষি ক্ষেত্ৰত নিয়োজিত হোৱাৰ বাবে আগুৱাই আহিছে। ইয়ে তেওঁলোকৰ মানসিকতাৰ পৰিৱৰ্তন সাধন কৰাটোকে বুজাই বুলি মুখ্যমন্ত্ৰীয়ে কয়। ঋণ প্ৰদান কৰাৰ ক্ষেত্ৰত শিথিলতা প্ৰদান কৰিবলৈও তেওঁ বেংকসমূহৰ প্ৰতি আহ্বান জনায়। আত্মসহায়ক গোটবোৰে সফলতা দেখুওৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ বাবে কঠোৰ পৰিশ্ৰম আৰু উপযুক্ত পৰিকল্পনাৰে আগুৱাই যাব লাগিব।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে উৎকৃষ্ট পাৰদৰ্শিতা প্ৰদৰ্শন কৰা আত্মসহায়ক গোট, যুটীয়া দায়বদ্ধ গোট (জে এল জি), বেষ্ট ফাৰ্মাচ প্ৰডিউচাৰ অৰ্গেনাইজেশ্যন (এফ পি অ') আৰু কেইবাটাও বেংকৰ শাখা প্ৰবন্ধক ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে নাবাৰ্ডে প্ৰস্তুত কৰা 'ষ্টেট ফকাচ পেপাৰ ২০২১-২২' উন্মোচন কৰে।

নাবাৰ্ডৰ অসম আঞ্চলিক কাৰ্যালয়ৰ মুখ্য মহাপ্ৰবন্ধক এছ এছ সাহাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত কৃষি, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ মন্ত্ৰী অতুল বৰা, সমবায়, আইন আৰু ন্যায় ইত্যাদি বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ আঞ্চলিক সঞ্চালক মনোৰঞ্জন দাস, ভাৰতীয় ষ্টেট বেংকৰ মুখ্য মহাপ্ৰবন্ধক আৰ এছ ৰমেশ, মুখ্য সচিব জিষ্ণু বৰুৱা, বিভিন্ন বেংকৰ প্ৰতিনিধি, বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন, জে এল জি আৰু এফ পি অ' সমূহৰ প্ৰতিনিধিবৰ্গৰ লগতে অন্যান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ**
**১৮/০১/২০২১**